# সাম্প্ৰতিক অসমীয়া চুটিগল্পৰ গতিপথ আৰু কেইগৰাকীমান গল্পকাৰৰ গল্প



সম্পাদনা
ড° দুলাল চন্দ্ৰ দাস

**Sāmpratik Axamiyā Chutigalpar Gatipath**
**Āru Keigarākimān Galpakārar Galpa**
A collection of critical essays about Assamese short stories, edited by Dr. Dulal Chandra Das, HoD, Deptt. of Assamese, Darrang College, Sonitpur, Assam
published by **RIZUG**, Kahilipara, Guwahati-19 and printed at **Idiom Printers**, Ganeshguri, Guwahati-6.

প্ৰথম প্ৰকাশ ঃ ২০২১

মূল্য ঃ ৩৫০/-
পুথিভঁৰাল মূল্য ঃ ৫০০/-

গ্ৰন্থস্বত্ব ঃ সম্পাদক

ISBN : 978-81-952926-1-5

আৰ্হি পাঠ আৰু সামগ্ৰিক পৰিকল্পনাঃ ড° দুলাল চন্দ্ৰ দাস

সহায়কাৰী ঃ নিপম কলিতা

অংগ সজ্জা আৰু ডিটিপি ঃ বলেন বৰ্মন

**মুদ্ৰক ঃ ইডিয়ম প্ৰিন্টাৰ্চ্ছ**, গণেশগুৰি, গুৱাহাটী-৬

প্ৰকাশক

**ঋজুগ**

কাহিলীপাৰা, গুৱাহাটী-৭৮১০১৯
ফোন ঃ ৯৭০৭৯-১৭৮৫০
e-mail : rizugpublication@gmail.com

# সূচীপত্ৰ


## প্ৰথম অধ্যায়

| | | | |
|---|---|---|---|
| ১. | অসমীয়া চুটিগল্পৰ গতি-প্ৰকৃতি | | পৃ-১-১৬৪ |
| | | ড° আনন্দ বৰমুদৈ | ৩-১৭ |
| ২. | হৰেকৃষ্ণ ডেকাৰ চুটিগল্প | ড° জয়ন্ত কুমাৰ দাস | ১৮-২৭ |
| ৩. | দেৱব্ৰত দাস আৰু তেওঁৰ চুটিগল্প | ড° দুলাল চন্দ্ৰ দাস | ২৮-৪৪ |
| ৪. | অৰূপা পটঙ্গীয়া কলিতাৰ চুটিগল্পৰ অধ্যয়ন | জ্যোৎস্না দেৱী | ৪৫-৬০ |
| ৫. | পূৰৱী বৰমুদৈৰ চুটিগল্প | ড° ভনিতা নাথ | ৬১-৭৫ |
| ৬. | মনোৰমা দাস মেধিৰ গল্প ঃ এটি আলোচনা | ড° হেমন্ত কুমাৰ ডেকা | ৭৬-৮৫ |
| ৭. | মনোজ কুমাৰ গোস্বামীৰ গল্প | ড° অঞ্জন কুমাৰ ওজা | ৮৬-৯০ |
| ৮. | অনুৰাধা শৰ্মা পূজাৰীৰ চুটিগল্প | নমি গগৈ | ৯১-১০০ |
| ৯. | কুল শইকীয়াৰ গল্প | মিথন ৰয় | ১০১-১০৯ |
| ১০. | মৌচুমী কন্দলীৰ গল্প | ড° ধীৰাজ পাটৰ | ১১০-১১৭ |
| ১১. | দিলীপ বৰাৰ চুটিগল্প ঃ এটি অধ্যয়ন | অমল চন্দ্ৰ দাস | ১১৮-১২২ |
| ১২. | অপূৰ্ব কুমাৰ শইকীৰ গল্পৰ এটি পৰ্যালোচনা | ড° পঙ্খী হাজৰিকা | ১২৩-১৪৫ |
| ১৩. | ধ্ৰুৱজ্যোতি শৰ্মাৰ গল্পৰ এটি চমু অৱলোকন | ড° দুবৰি গোস্বামী | ১৪৬-১৫৪ |
| ১৪. | প্ৰাঞ্জল শৰ্মা বশিষ্ঠৰ চুটিগল্প | চুইটি বৰা | ১৫৫-১৬৪ |

## দ্বিতীয় অধ্যায়

| | | | |
|---|---|---|---|
| | | | পৃ-১৬৫-২৭৯ |
| ১. | লক্ষ্মীনাথ বেজবৰুৱাৰ 'জয়ন্তী' | ড° ভনিতা নাথ | ১৬৭-১৭৩ |
| ২. | হলিৰাম ডেকাৰ 'ৰে বড়ে ভাই' | ড° দুলাল চন্দ্ৰ দাস | ১৭৪-১৮১ |
| ৩. | লক্ষ্মীধৰ শৰ্মাৰ 'নীনা' ঃ এটি আলোচনা | ড° অপূৰ্ব বৰা | ১৮২-১৮৭ |
| ৪. | চৈয়দ আব্দুল মালিকৰ প্ৰাণ পোৱাৰ পিছত | ড° হৰিপ্ৰসাদ বৰুৱা | ১৮৮-১৯১ |
| ৫. | 'অবিনাশী স্বপ্ন' ঃ এক বিশ্লেষণাত্মক আলোচনা | নিৰ্মলা ৰায় | ১৯২-১৯৬ |
| ৬. | মহিম বৰাৰ অনন্য সৃষ্টি 'চক্ৰৱৎ' | ড° প্ৰাপ্তি ঠাকুৰ | ১৯৭-২০৫ |
| ৭. | যোগেশ দাস আৰু তেওঁৰ 'বৰদেউতা' | ড° দুলাল চন্দ্ৰ দাস | ২০৬-২১৮ |

# অৰূপা পটঙ্গীয়া কলিতাৰ চুটিগল্পৰ অধ্যয়ন

জ্যোৎস্না দেৱী

অসমীয়া সাহিত্যৰ জগতখনত আশীৰ দশকতেই আত্মপ্ৰকাশ কৰা 'অৰূপা পটঙ্গীয়া কলিতা' সাম্প্ৰতিক যুগৰ এগৰাকী শক্তিশালী লেখিকা। গল্প আৰু উপন্যাস সৃষ্টিৰে এই দুয়ো ক্ষেত্ৰতে এইগৰাকী লেখিকাই নিজৰ সবল স্থিতিৰ পৰিচয় দিছে। সামাজিক দায়বদ্ধ চেতনাৰে সমৃদ্ধ গল্পকাৰ গৰাকীৰ ইতিমধ্যে বহুকেইখন গল্প সংকলন প্ৰকাশিত হৈছে। মৰুযাত্ৰা আৰু অন্যান্য (১৯৯২), মৰুভূমিত মেনকা আৰু অন্যান্য (১৯৯৫), দেওপাহাৰৰ ভগ্নস্তুপত (১৯৯৯), পাছচোতালৰ কথকতা (২০০০), মিলেনিয়ামৰ সপোন (২০০২), আলেকজান বানুৰ জান (২০০৫) আদি অৰূপা পটঙ্গীয়া কলিতাৰ উল্লেখনীয় গল্প পুথি। আনহাতেদি মৃগনাভি (১৯৮৭), অয়নান্ত (১৯৯৪), অৰুনিমাৰ স্বদেশ (২০০১), ফেলানী (২০০৩) আদি হ'ল লেখিকা গৰাকীৰ অন্যতম চৰ্চিত উপন্যাস। ইয়াৰ উপৰিও শেহতীয়াকৈ প্ৰকাশ হৈছে জলতৰংগৰ সুৰ (২০১৬)।

১৯৫৫ চনৰ অক্টোবৰ মাহৰ ৩১ তাৰিখে গোলাঘাটত জন্ম লাভ কৰা অৰূপা পটঙ্গীয়া কলিতা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী সাহিত্যৰ স্নাতকোত্তৰ (১৯৭৭)। একেখন বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট উপাধি লাভ কৰা সাহিত্যিক গৰাকীয়ে টংলা মহাবিদ্যালয়ত ইংৰাজী বিভাগত অধ্যাপনা কৰিছিল। এই গৰাকী সাহিত্যিকে গল্প উপন্যাসৰ মেটমৰা সম্ভাৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। গল্প-উপন্যাস এই দুয়ো ক্ষেত্ৰতে আগবঢ়োৱা অৱদানৰ বাবে সাহিত্যিক গৰাকীয়ে বিভিন্ন পুৰস্কাৰো লাভ কৰিবলৈ সক্ষম হৈছে। 'অয়নান্ত' উপন্যাসৰ বাবে ১৯৯৫ চনত ভাৰতীয় ভাষা পৰিষদৰ সাহিত্য বঁটা, ১৯৯৮ চনত চুটিগল্প সংকলন 'দৈৱকীৰ দিন'ৰ বাবে সৰ্বভাৰতীয় 'কথা বঁটা' আৰু ২০১৪ চনত 'মৰিময় আষ্টিন অথবা হীৰা বৰুৱা' চুটিগল্প সংকলনৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰিছে। শেহতীয়াভাৱে যশস্বী সাহিত্যিক গৰাকীলৈ আগবঢ়োৱা হৈছে ২০১৬ চনৰ অসম উপত্যকা সাহিত্য বঁটা।

সামাজিক দায়বদ্ধতাৰে, সমাজ সচেতন গল্প ৰচনা কৰা আৰু সাম্প্ৰতিক সময়ৰ নিৰ্মম বাস্তৱতাৰ নিৰ্মোহ প্ৰতিফলনৰ উপৰিও অৰূপা পটঙ্গীয়া কলিতাৰ গল্পবোৰত সমাজত সংঘটিত হৈ থকা সাম্প্ৰদায়িক সংঘৰ্ষৰ অশান্তিবোৰৰ চিত্ৰ অংকিত হৈছে। এনেধৰণৰ সংঘৰ্ষৰ ফলতেই অসমীয়া সমাজ জীৱনৰ পৰম্পৰাগত ঐতিহ্যৰ ভেটি থৰকবৰক হৈ উঠিছে, এইসমাজ ব্যৱস্থাৰ পক্ষপাত শূন্য দৃষ্টিভংগীৰ পটভূমিক লৈয়ে অৰূপা পটঙ্গীয়া কলিতাই বহুকেইটা সাৰ্থক গল্প ৰচনা কৰিছে।